জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৫৬/২০২০

# প্ৰাক্তন বিধায়ক বৰকট উল্লাহৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২০ আগষ্ট ঃ** হাজো সমষ্টিৰ প্ৰাক্তন বিধায়ক বৰকট উল্লাহৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বৰকট উল্লাহে আমাৰ সমাজ জীৱনলৈ যি সেৱা আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত বৰকট উল্লাহে বিভিন্ন শিক্ষানুষ্ঠানৰ সৈতে জড়িত থাকি অঞ্চলটোৰ শৈক্ষিক উন্নয়নৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ অৰিহণা যোগাই গৈছে। প্ৰয়াত উল্লাহে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ ক্ষেত্ৰতো বিশেষ অৰিহণা যোগাই গৈছে। তেখেতৰ বিয়োগ আমাৰ ৰাজনৈতিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বৰকট উল্লাহৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২০/০৮/২০২০**